**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 09-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। অসম, কেৰালাম আৰু কেন্দ্ৰীয়শাসিত অঞ্চল পুডুচেৰীত আজি বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে।

২। অসমৰ ১২৬টা বিধানসভা সমষ্টিৰ বাবে হোৱা নিৰ্বাচনত ৭২২ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে মৰিছাচ আৰু সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰলৈ আজি আনুষ্ঠানিক ভ্ৰমণ কৰিব।

৪। এন আই এৰ এখন বিশেষ আদালতে ৪ জন বাংলাদেশী নাগৰিকক বিভিন্ন ৰাষ্ট্ৰৰ পৰা মানৱ সৰবৰাহৰ ঘটনাৰ অভিযোগত দোষী সাব্যস্ত কৰি শাস্তিৰ ৰায় দিছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশা অনুষ্ঠিত খেলত গুজৰাট টাইটানছে দেলহী কেপিটেলছক এক ৰানত পৰাস্ত কৰে।

ooooo

অসম, কেৰালাম আৰু কেন্দ্ৰীয়শাসিত অঞ্চল পুডুচেৰীত আজি বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। অসমৰ ১২৬টা, কেৰালামৰ ১৪০টা আৰু পুডুচেৰীত ৩০টা সমষ্টিৰ বাবে একেটা পৰ্যায়ত ভোটগ্ৰহণ কৰা হৈছে। পুৱা ৭ বজাত ভোটগ্ৰহণ আৰম্ভ হৈছে আৰু অসমত বিয়লি ৫ বজাত তথা কেৰালাম আৰু পুডুচেৰীত সন্ধিয়া ৬ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। নিৰ্বাচন আয়োগে এই ভোটগ্ৰহণ মুক্ত, নিকা আৰু শান্তিপূৰ্ণ কৰি তুলিবলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

অসমৰ ১২৬টা বিধানসভা সমষ্টিত আজি প্ৰথমবাৰৰ বাবে একেটা পৰ্যায়তে ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। এইবাৰৰ নিৰ্বাচনত ৫৯ গৰাকী মহিলা প্ৰাৰ্থীকে ধৰি মুঠ ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ৰাজ্যত এইবাৰ ২ কোটি ৫০ লাখ, ৫৪ হাজাৰ ৪৬৩ গৰাকী ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰে ১ কোটি ২৫ লাখৰো অধিক পুৰুষ, ১ কোটি ২৫ লাখৰো অধিক মহিলা আৰু ৩১৮ গৰাকী তৃতীয় লিংগৰ ভোটদাতা। তদুপৰি ৬৩ হাজাৰ ৪২৩ গৰাকী ছাৰ্ভিচ ভোটাৰ আছে। ৰাজ্যখনৰ ৩১ হাজাৰ ৩৮৬টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ নিয়াৰিকৈ পৰিচালনাৰ বাবে এশ শতাংশ ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ ভিতৰত ৪ হাজাৰ ২১টা ভোটকেন্দ্ৰ মহিলাই পৰিচালনা কৰিব। এই সময়ছোৱাত শান্তি-শৃংখলা অটুত ৰখাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ কেইবাশ কোম্পানী নিয়োগ কৰা হৈছে। দৰং জিলাৰ দলগাঁও সমষ্টিত সৰ্বাধিক আৰু অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত পশ্চিম কাৰ্বি আংলঙৰ আম্ৰি সমষ্টিত সৰ্বনিম্ন ভোটদাতা আছে বুলি নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে।

কেৰালামৰ ১৪০টা সমষ্টিৰ বাবে ৮৮৩ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ৰাজ্যখনৰ ২ কোটি ৭১ লাখ ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ৰাজ্যখনত ৩০ হাজাৰ ৩৯৫টা

ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ২ হেজাৰ ৪০টা স্পৰ্শকাতৰ হিচাপে চিহ্নিত হৈছে। নিৰ্বাচনৰ বাবে ৰাজ্যখনত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে আৰু ৭৬ হাজাৰৰো অধিক নিৰাপত্তা কৰ্মী নিয়োগ কৰা হৈছে। ৰাজ্যখনত আজি ভোটগ্ৰহণৰ বাবে ৰাজহুৱা বন্ধৰ দিন ঘোষণা কৰা হৈছে।

পুডুচেৰীৰ ৩০টা বিধানসভা সমষ্টিত ২৯৪ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ৯ লাখ ৫০ হাজাৰ ৬৩৯ গৰাকী ভোটদাতাই কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ এহেজাৰ ৯৯টা ভোটকেন্দ্ৰত ভোটদানৰ সুযোগ লাভ কৰিছে। ভোটদাতাসকলৰ ভিতৰত ২৪ হাজাৰ ৯১৯ গৰাকীয়ে প্ৰথমবাৰৰ বাবে ভোটদানৰ সুযোগ লাভ কৰিছে। ভোটকেন্দ্ৰসমূহৰ ২০৯টা স্পৰ্শকাতৰ আৰু ৫টা জটিল বুলি চিনাক্ত কৰা হৈছে। ৩০টা ভোটকেন্দ্ৰ মহিলাৰ দ্বাৰা, ১৫টা যুৱ প্ৰজন্মৰ বিষয়া-কৰ্মচাৰীৰ দ্বাৰা আৰু দুটা বিশেষভাৱে সক্ষমভাৱে লোকে পৰিচালনা কৰিছে। কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ সংস্কৃতি আৰু ঐতিহ্য প্ৰতিফলিত কৰিব পৰাকৈও ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। পুডুচেৰীত মাইক্ৰ' অবজাৰ্ভাৰ আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ অতিৰিক্ত বাহিনী মোতায়েন কৰা হৈছে।

ইপিনে তামিলনাডুত একেটা পৰ্যায়ত হ'বলগীয়া আৰু পশ্চিমবংগত প্ৰথম পৰ্যায়ত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিন। পশ্চিমবংগত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ মনোনয়ন দাখিলৰো আজি অন্তিম দিন। ৪খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ভোটগণনা অহা ৪ মে'ত অনুষ্ঠিত হ'ব।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে মৰিছাচ আৰু সংযুক্ত আৰৱ আমিৰি- ইউ এ ই ৰাষ্ট্ৰলৈ আজি আনুষ্ঠানিক ভ্ৰমণ কাৰ্যসূচী আৰম্ভ কৰিব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ড০ জয়শংকৰে মৰিছাচত নৱম ভাৰত মহাসাগৰ সন্মিলনত অংশগ্ৰহণ কৰিব। এই ভ্ৰমণৰ সময়ত বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে মৰিছাচৰ মন্ত্ৰীসকলক সাক্ষাৎ কৰি দ্বিপাক্ষিক সম্পৰ্কৰ সমগ্ৰ দিশত পৰ্যালোচনা কৰিব। নৱম ভাৰত মহাসাগৰ সন্মিলনতো মুখ্য ভাষণ প্ৰদান কৰাৰ লগতে অন্যান্য অংশগ্ৰহণকাৰী ৰাষ্ট্ৰৰ সমকক্ষৰ সৈতেও আলোচনাত মিলিত হোৱাৰ সম্ভাৱনা আছে। এই ভ্ৰমণে ভাৰতৰ প্ৰতিবেশী প্ৰথম নীতি, ভিছন মহাসাগৰ আৰু গোলকীয় দক্ষিণৰ প্ৰতি থকা দায়বদ্ধতাক প্ৰতিফলিত কৰিব।

এই ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে পৰহিলৈ আৰু ১২ এপ্ৰিলত ইউ এ ই ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ সময়ত ইউ এ ইৰ মন্ত্ৰীসকলক সাক্ষাৎ কৰি দুয়োখন দেশৰ মাজত থকা ঘনিষ্ঠ সহযোগিতা পৰ্যালোচনা আৰু কৌশলগত অংশীদাৰিত্ব অধিক কাৰ্যক্ষম কৰি তুলিব।

ooooo

ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা- এন আই এৰ এখন বিশেষ আদালতে ৪ জন বাংলাদেশী নাগৰিকক বিভিন্ন ৰাষ্ট্ৰৰ পৰা মানৱ সৰবৰাহৰ ঘটনাৰ অভিযোগত দোষী সাব্যস্ত কৰি শাস্তিৰ ৰায় দিছে। বেংগালুৰুৰ এন আই এৰ আদালতে অভিযুক্তকেইজনক ৩ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ ৰায় দিছে। তদুপৰি লোককেইজনক ২০ হাজাৰ টকাকৈ জৰিমনাও বিহা হৈছে। জৰিমনা আদায় কৰিব নোৱাৰিলে তেওঁলোকে অতিৰিক্ত এমাহকৈ কাৰাগাৰত থাকিব লাগিব। বিদেশী কাৰ্যকলাপ আৰু পাৰপত্ৰ, ভাৰতত প্ৰৱেশ আইনৰ সংশ্লিষ্ট ধাৰাৰ অধীনত এই ৰায় দিয়া হৈছে। অভিযুক্তকেইজন ইতিপূৰ্বে বাংলাদেশৰ পৰা অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰাৰ অভিযোগ উঠাৰ লগতে লোককেইজন ভুৱা নথিপত্ৰ আৰু পৰিচয় পত্ৰ যোগাৰ কৰি বেংগালুৰুত আৱৰ্জনা ব্যৱস্থাপনাৰ ব্যৱসায়ত নিয়োজিত আছিল বুলি প্ৰকাশ কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডুৱে ঘৰুৱা বিমান পৰিবহণ সংস্থাসমূহৰ বাবে বিমান অৱতৰণ আৰু পাৰ্কিং মাচুল ২৫ শতাংশ হ্ৰাস কৰাকে ধৰি একাধিক সাহায্য ঘোষণা কৰিছে। আন্তঃৰাষ্ট্ৰীয় বজাৰত ইন্ধনৰ মূল্য বৃদ্ধিৰ সময়ত ভাৰতীয় বিমান পৰিবহণৰ ব্যয় হ্ৰাস কৰি যাত্ৰীসকলৰ বাবে বিমান পৰিবহণ ব্যয়সাধ্য কৰি ৰখাৰ লক্ষ্যৰে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে বিশ্বজুৰি খাৰুৱা তেলৰ মূল্যৰ অস্থিৰতাৰ পৰিপ্ৰেক্ষিতত বিমান ব্যৱহৃত ইন্ধনৰ মূল্য বৃদ্ধি পাইছে। এনে পৰিস্থিতিত মন্ত্ৰালয়ে  বিমানবন্দৰ অৰ্থনৈতিক নিয়ামক প্ৰাধিকৰণক ঘৰুৱা বিমান পৰিবহণ সংস্থাসমূহৰ ক্ষেত্ৰত সকলো মুখ্য বিমানবন্দৰতে অৱতৰণ আৰু পাৰ্কিং মাচুল ২৫ শতাংশ হ্ৰাস কৰিবলৈ কোৱা হৈছে। এই নিৰ্দেশ তৎকালে বলৱৎ হৈছে আৰু তিনিমাহলৈ কাৰ্যকৰী হৈ থাকিব। একেদৰে ভাৰতীয় বিমানবন্দৰ প্ৰাধিকৰণে দেশৰ সৰু-সুৰা বিমানবন্দৰসমূহতো এইধৰণৰ মাচুল হ্ৰাসৰ সিদ্ধান্ত কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিছে। ইয়াৰ ফলত বিমান পৰিবহণৰ ব্যয় তিনিমাহৰ ভিতৰত ৪০০ কোটি টকালৈ হ্ৰাস পাব বুলি চৰকাৰে অনুমান কৰিছে। শ্ৰীনাইডুৱে এই সন্দৰ্ভত কয়, যে বিমান পৰিবহণ খণ্ডত সুস্থিৰতা বৰ্তাই ৰখাৰ লগতে যাত্ৰীসকলৰ সুবিধা আৰু বিমান পৰিবহণ সকলোৰে বাবে ব্যয়সাধ্য কৰাত অগ্ৰাধিকাৰ দিয়া হৈছে।

০০০০০

জম্মু-কাশ্মীৰৰ শ্ব’পিয়ান জিলাৰ জৈনপুৰাৰ চিত্ৰগ্ৰামৰ সমীপত ভাৰতীয় সেনাৰ চিনাৰ বাহিনীয়ে জম্মু-কাশ্মীৰ আৰক্ষীৰ সৈতে যুটীয়াভাবে অভিযান চলাই চাৰে ১৪ কিলোগ্ৰাম ওজনৰ আই ই ডি উদ্ধাৰ কৰি নিষ্ক্ৰিয় কৰাৰ ফলত অঞ্চলটো ভয়াৱহ বিপদৰ পৰা ৰক্ষা পৰে। সেনাবাহিনীৰ সূত্ৰই প্ৰকাশ কৰা মতে কাশ্মীৰক সন্ত্ৰাসমুক্ত কৰিবলৈ বাহিনীটো বদ্ধপৰিকৰ। সেনাবাহিনীৰ বিষয়াই প্ৰকাশ কৰা অনুসৰি কালি পুৱা অঞ্চলটো পৰিষ্কাৰ কৰি থকাৰ সময়ত আই ই ডিটো উদ্ধাৰ কৰা হয়। সেই অঞ্চলেৰে চলাচল কৰা সুৰক্ষা বাহিনীৰ বাহনসমূহক লক্ষ্য কৰি আই ই ডিটো সংস্থাপন কৰা হৈছিল বুলি সুৰক্ষা বাহিনীৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

এছিয়ান মল্লযুঁজ চেম্পিয়নশ্বিপ ২০২৬ত কালি ভাৰতীয় গ্ৰীক’ ৰোমান মল্লযুঁজাৰুসকলে আৰু তিনিটা পদক সংযোজন কৰে। নীতেশ শিৰাচে ৰূপৰ পদক তথা প্ৰিন্স আৰু শচীন শেৰাৱতে ব্ৰঞ্জৰ পদক লাভ কৰে। মঙলবাৰে ৫৫ কিলোগ্ৰাম ওজন শাখাত ললিত শেৰাৱতে ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে সুনীল কুমাৰে ৮৭ কিলোগ্ৰাম ওজন শাখাত ব্ৰঞ্জৰ পদক পাবলৈ সমৰ্থ হয়।

০০০০০

আন্তঃৰাষ্ট্ৰীয় পাৰমাণৱিক শক্তি সংস্থাৰ সঞ্চালক প্ৰধান ৰাফেল মাৰিয়ান’ গ্ৰচিয়ে তামিলনাডুৰ কলপক্কমত প্ৰ’ট’টাইপ ফাষ্ট ব্ৰীডাৰ ৰিয়েক্টৰৰ জটিল ৰূপ বিকশাই তোলাৰ বাবে ভাৰতৰ সফলতাৰ শলাগ লয়। এই পদক্ষেপে দেশখনৰ থলুৱা পাৰমাণৱিক কাৰ্যসূচী আৰু দীৰ্ঘম্যাদী শক্তি বহনক্ষমতাৰ ক্ষেত্ৰত এটা উল্লেখযোগ্য অৱদান আগবঢ়াব। ভাৰতৰ পাৰমাণিক কাৰ্যসূচী বিকাশৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় পাৰমাণৱিক শক্তি সংস্থাই আগবঢ়োৱা সহযোগিতাৰ বাবে ভাৰত সংস্থাটোৰ প্ৰতি সদায়ে দায়বদ্ধ হৈ থাকিব বুলি সঞ্চালক প্ৰধানগৰাকীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে প্ৰকাশ কৰিছে।

০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাৰ যোৱা নিশা দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে দেলহী কেপিটেলছক এক ৰানত পৰাস্ত কৰে। ২১১ ৰানৰ লক্ষ্য অনুসৰণ কৰি দেলহী কেপিটেলছে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ২০৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। দেলহীৰ হৈ কে এল ৰাহুলে সৰ্বাধিক ৯২ ৰান কৰে। গুজৰাট টাইটানছৰ হৈ ৰছিদ খানে ৩টা, প্ৰসিদ্ধ কৃষ্ণাই দুটা আৰু মহম্মদ ছিৰাজে এটা উইকেট দখল কৰে। ৰছিদ খানক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। ইয়াৰ আগেয়ে প্ৰথমে বেট ধৰি গুজৰাট টাইটানছে ২০ অভাৰত ৪টা উইকেটৰ বিনিময়ত ২১০ ৰান সংগ্ৰহ কৰে। শুভমন গিলে সৰ্বাধিক ৭০ আৰু ৱাশ্বিংটন সুন্দৰে ৫৫ ৰান সংগ্ৰহ কৰে। দেলহী কেপিটেলছৰ হৈ মুকেশ কুমাৰে দুটা উইকেট দখল কৰে।

প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত কলকাতা নাইট ৰাইডাৰ্ছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

ooooo

সমাপ্ত